# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-Nov.-2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***
**Headlines**
-------------------

১।	দেশজুৰি আজি স্বাধীনতা সংগ্ৰামী বীৰচা মুণ্ডাৰ জয়ন্তী উপলক্ষে জনজাতীয় গৌৰৱ দিৱস পালন। অসমতো জনজাতি পৰিক্ৰমা বিভাগৰ উদ্যোগত বিভিন্ন কাৰ্যসূচী।

২।	ঐতিহ্যময় বৃন্দাবনী বস্ত্ৰ অসমলৈ অনা সন্দৰ্ভত আলোচনাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা লণ্ডনলৈ ৰাওনা।

৩।	ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ। প্ৰশাসনৰ নিষেধাজ্ঞা জাৰি।

৪।	অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰী ড০ বাণীকান্ত কাকতিৰ পূণ্য তিথিত ৰাজ্যবাসীৰ স্মৰণ। ***আৰু***

৫।	ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত কলকাতা টেষ্ট আকৰ্ষণীয় পৰ্যায়ত উপনীত। দ্বিতীয় ইনিংছত দক্ষিণ আফ্ৰিকাৰ ৭ উইকেটৰ বিনিময়ত ৯৩ ৰান সংগ্ৰহ।

ooooo

সমগ্ৰ দেশে আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা  বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে।

অসমতো আজি জনজাতি পৰিক্ৰমা বিভাগৰ সৌজন্যত বিভিন্ন জিলাত এই কাৰ্যসূচী অনুষ্ঠিত হয়। **গোলাঘাট** জিলাৰ পুলিবাগান অঞ্চলৰ মুৰংঘৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত সাংস্কৃতিক শোভাযাত্ৰাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকে।

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলাখনৰ পাৰখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত বিৰচা মুণ্ডাৰ জয়ন্তী উদযাপন কৰা হয়। এই উপলক্ষে আমন্ত্ৰিত অতিথিসকলে নাহৰ গছৰ পুলি ৰোপণ কৰাৰ লগতে বিভিন্ন উন্নয়ন খণ্ডৰ বিপনীসমূহ মুকলি কৰে। বিৰচা মুণ্ডাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজলনেৰে আৰম্ভ হোৱা মূল অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকে। শ্ৰীৰংহাঙে কেন্দ্ৰীয় চৰকাৰে জনজাতীয় লোকসকলৰ নিৰাপত্তা আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা অভিলাসী আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি জিলাখনত ৪ খন একলব্য বিদ্যালয় নিৰ্মাণৰ বাবে কেন্দ্ৰৰ পৰা ২৫৬ কোটি টকাৰ আবণ্টন লাভ কৰিছে বুলি উল্লেখ কৰে।

বিশ্বনাথ জিলাৰ বিহালী সমজিলাৰ বৰগাঁওত অনুষ্ঠিত জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ শ্ৰীসোণোৱালে স্বাধীনতা সংগ্ৰামী বিৰচা মুণ্ডাৰ কৰ্মৰাজি সোঁৱৰণ কৰাৰ লগতে তেওঁৰ আদৰ্শৰ প্ৰাসংগিকতাৰ বিষয়ে উল্লেখ কৰে। লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে আদিৱাসী নেতাগৰাকীক যথাযোগ্য সন্মান দিছে বুলিও তেওঁ উল্লেখ কৰে।

**বাইট ঃ সোণোৱাল**

মাজুলী জিলাতো আজি জিলা প্ৰশাসনৰ উদ্যোগত কাৰ্কিচুক ৰংগমঞ্চত জনজাতীয় গৌৰৱ দিৱস পালন কৰা হয়।

শিৱসাগৰ জিলাৰ দিছাংমুখৰ লিগিৰিবাৰী মুৰংঘৰ প্ৰাংগনত আয়োজিত এই দিৱসৰ কাৰ্যসূচী আজি প্ৰাক্তন বিধায়ক কুশল দুৱৰীয়ে মুকলি কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জনজাতীয় লোকসকলৰ কল্যান বাবে বিভিন্ন বিভাগে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰোৱাৰ উদ্দেশ্যে এখন প্ৰদৰ্শনী মুকলি কৰা হয়। বৰাক উপত্যকাতো জনজাতীয় স্বাধীনতা সংগ্ৰামী, ধৰতি আবা হিচাপে অভিহিত বিৰচা মুণ্ডাৰ জয়ন্তী পালন কৰা হয়। এই উপলক্ষে কাচাৰ জিলা প্ৰশাসনৰ উদ্যোগত লক্ষীপুৰৰ ফুলেৰতলত আয়োজিত অনুষ্ঠানত মন্ত্ৰী কৌশিক ৰায়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক নৃত্য প্ৰদৰ্শন, হস্তশিল্পৰ প্ৰদৰ্শনী আৰু খাদ্য মেলা অনুষ্ঠিত হয়। কিংবদন্তি স্বাধীনতা সংগ্ৰামী আৰু জনজাতীয় নেতা বিৰচা মুণ্ডাৰ জয়ন্তী উপলক্ষে আজি শ্ৰীভূমি জিলাতো বিস্তৃত কাৰ্যসূচী অনুষ্ঠিত হয়। মন্ত্ৰী কৃষ্ণেন্দু পালে এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ লয়।

হোজাই জিলাতো আজি বিৰচা মুণ্ডাৰ জয়ন্তী পঞ্চম জনজাতীয় গৌৰৱ পযেকৰ অংশ হিচাপে উদযাপন কৰা হয়। এই উপলক্ষে জিলাখনৰ শিংজুৰি খেলপথাৰত আয়োজিত অনুষ্ঠানত বিধায়ক ৰামকৃষ্ণ ঘোষ, জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশ লয়।

অসমতো আজি জনজাতি পৰিক্ৰমা বিভাগৰ সৌজন্যত **গোৱালপাৰা** জিলা প্ৰশাসন আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সহযোগত দুধনৈৰ আমজোঙ্গাত জনজাতীয় গৌৰৱ দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা উপস্থিত থাকে। অনুষ্ঠানত গুজৰাটত কেন্দ্ৰীয় চৰকাৰে পালন কৰা জনজাতীয় গৌৰৱ দিৱসৰ প্ৰধানমন্ত্ৰীৰ ভাষণ পোনপোটীয়াকৈ সম্প্ৰচাৰ কৰা হয়। আজিৰ অনুষ্ঠানত মন্ত্ৰী ডাঃ পেগুৱে জিলাখনৰ আমজুঙাত ৭ কোটি ২৪ লাখৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা প্ৰকল্প সঞ্চালক, সমন্বিত জনজাতীয় উন্নয়ন প্ৰকল্প আৰু মহকুমা কল্যান বিষয়াৰ কাৰ্যালয় উদ্বোধন কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়।

বৰপেটা জিলাত আজি জনজাতীয় গৌৰৱ দিৱস উপলক্ষে সেৱা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত শিক্ষা, স্বাস্থ্য, সমাজ কল্যান আদি বিভাগে ৰাইজক থিতাতে প্ৰয়োজনীয় সাহায্য প্ৰদান্ কৰে। একেদৰে বঙাইগাও জিলাৰ গাৰো জনজাতি বসতিপ্ৰধান বাঘপাৰাত আজি এই দিৱস উদযাপন কৰা হয়। চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত এই দিৱস উপলক্ষে আয়োজিত কাৰ্যসূচীত বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্মই অংশগ্ৰহণ কৰে।

**তামুলপুৰ জিলাত** বীৰচা মুণ্ডাৰ জয়ন্তী উপলক্ষে জিলা প্ৰশাসনৰ উদ্যোগত খাটৰবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত জনজাতীয় গৌৰৱ দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত বড়ো জনগোষ্ঠীৰ আৰজ কৰাৰ পাছত বিৰচা মুণ্ডা আৰু ছহিদ মনেশ্বৰ বসুমতাৰীৰ প্ৰতিচ্ছবিত পুস্পাৰ্ঘ্য তৰ্পন কৰা হয়। ইয়াৰ পাছতে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত বিভিন্ন জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন কৰা হয়।

দৰং জিলা প্ৰশাসনৰ উদ্যোগত আজি পূৱ মঙলদৈ উন্নয়ন খণ্ডৰ বেজপাৰা কছাৰীগাওঁত জনজাতীয় গৌৰৱ দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত জিলাখনৰ আয়ুক্ত পৰাগ কুমাৰ কাকতি প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

অসমৰ চহকী ইতিহাস সমৃদ্ধ বৃন্দাৱনী বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত আলোচনাৰ বাবে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা লণ্ডনলৈ ৰাওনা হৈছে। লণ্ডনৰ সংগ্ৰহালয়ত থকা এই আপুৰুগীয়া বস্ত্ৰ ২০২৭ চনত অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত ইতিমধ্যে ইংলেণ্ডৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছিল। এই অনুসৰি এই বস্ত্ৰভাগ গুৱাহাটীলৈ আনি খানাপাৰাত সংগ্ৰহালয়ত বিশেষভাৱে সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ বাবে ভূমিও আৱণ্টন দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। কাইলৈ লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আজি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

বাইট

ইপিনে, জুবিন গাৰ্গৰ ওপজা দিন উপলক্ষে অহা ১৮ নৱেম্বৰত ৰাজ্যৰ ৫৩ টা স্থানত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আজি ফেচবুক লাইভযোগে প্ৰকাশ কৰে। তেঁও কয় যে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা আৰু মৰমৰ চিনস্বৰূপে এই পদক্ষেপ গ্ৰহণ কৰা হ'ব।

বাইট

ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ওপজা দিনটো পালনৰ বাবে অনুৰাগীসকল সাজু হৈছে। কায়িক বিচ্ছেদৰ যন্ত্ৰনা নেওচি তেওঁলোকে শিল্পীগৰাকীৰ গীতেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি দিব। শিৱসাগৰত মিউজিকেল ছোচাইটি অৱ শিৱসাগৰ আৰু শিৱসাগৰবাসী ৰাইজৰ উদ্যোগত শিল্পী সমাজে প্ৰাণৰ শিল্পীলৈ শ্ৰদ্ধা নিবেদন কৰিব। এই উপলক্ষে শিৱসাগৰ বোৰ্ডিং খেলপথাৰত বিয়লি ৪ বজাত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ooo

ooooo

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ ফলত হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু বৃহৎ গাহৰি পালকসকলৰ যথেষ্ট ক্ষতি হৈছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে।

গোলাঘাট জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰকোপ বৃদ্ধি পাইছে। ইতিমধ্যে সৰুপথাৰৰ খনিকৰ গাঁও, মৰঙি আৰু বৰহোলাত  এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। ৰোগৰ বিস্তাৰ ৰোধৰ বাবে জিলা দণ্ডাধীশে

ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ নম্বৰ ধাৰা অনুসৰি কিছু নিষেধাজ্ঞা জাৰি কৰিছে। গাহৰি, গাহৰিৰ মাংস, গাহৰিৰ খাদ্য আৰু আনুসংগিক সামগ্ৰীসূহৰ ক্ৰয়-বিক্ৰয় পৰিবহন্ৰ জিলাখনত নিষিদ্ধ কৰা হৈছে। জনস্বাস্থ্য আৰু পশু স্বাস্থ্য সুৰক্ষাৰ স্বাৰ্থত সকলো ৰাইজক প্ৰশাসনে সহযোগ কৰিবলৈ আহ্বান জনাইছে।

ooooo

অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰী ড০ বাণী কান্ত কাকতিৰ পূণ্য তিথি উপলক্ষে আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধা নিবেদন কৰিছে। একেধাৰে গৱেষক, ভাষাবিদ, সমালোচক ড° বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাতত্ব অধ্যয়নৰ দিশত যথেষ্ট বৰঙণি আগবঢ়াই থৈ গৈছে। Assamese its formation and development শীৰ্ষক গৱেষণা গ্ৰন্থ ড০ কাকতিয়ে জীৱনৰ অনন্য কীৰ্তি। ইয়াৰ উপৰি পুৰণি অসমীয়া সাহিত্য, সাহিত্য আৰু প্ৰেমকে ধৰি সাহিত্য আলোচনামূলক গ্ৰন্থ আৰু সমাজতত্ব বিষয়ক গ্ৰন্থৰে তেওঁ অসমীয়া সাহিত্যৰ বৌদ্ধিক দিশটো চহকী কৰি থৈ গৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰেণ্য অসমীয়া, প্ৰথিতযশা গৱেষক  ভাষাবিদগৰাকীৰ পূণ্য তিথিত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে ভাষাতাত্বিক অধ্যয়নৰ বিষয়ত তেওঁৰ অৱদান অসামান্য বুলি উল্লেখ কৰে। তেওঁ লগতে সাহিত্যিকগৰাকীৰ সৃষ্টিৰাজিয়ে নৱ প্ৰজন্মক অনুপ্ৰাণিত কৰি তুলিব বুলিও আশা প্ৰকাশ কৰে।

ooooo

গোৱালপাৰা জিলাৰ চটিপাৰাত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গাৰো জনগোষ্ঠীয় লোকসকলৰ ৱাংগালা উৎসৱ অনুষ্ঠিত হৈছে।  গাৰো সাংস্কৃতিক সংঘৰ উদ্যোগত আৰু গাৰো ছাত্ৰ সন্থা অসম মণ্ডলৰ সহযোগত আয়োজিত এই উৎসৱৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা মেঘালয়ৰ জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী মাৰ্কুইছ এণ্ড  মাৰাক উপস্থিত থাকি মহোৎসৱ উপভোগ কৰে। এই মহোৎসৱত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে মেঘালয়ৰ নৃত্য শিল্পীৰ দলে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে গাৰো জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য গীতসমূহ নৱ প্ৰজন্মৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে গাৰো ছাত্ৰ সন্থা আৰু গাৰো সংস্কৃতি সংঘই এই উৎসৱৰ আয়োজন কৰি আহিছে।

ooooo

সংগীত নাটক একাডেমী বঁটাপ্ৰাপক ভাস্কৰ্য তথা চাৰুকলা শিল্পী নুৰুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ গুৰুজী আদ্য শৰ্মা বঁটা আগবঢ়োৱা হৈছে। বৃন্দাবন থিয়েটাৰৰ উদ্যোগত তথা শ্ৰী শ্ৰী হৰিমন্দিৰৰ সহযোগত প্ৰতিবছৰে এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত নগদ ধন, অংগ বস্ত্ৰ, ফুলাম গামোচা, স্মাৰক, প্ৰশস্তি পত্ৰ আৰু কিতাপৰ টোপোলা আছে। কাইলৈ নলবাৰীৰ ৰাস মহোৎসৱৰ মূল মঞ্চত বিশিষ্ট শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকিব।

ooooo

ৰাজ্যত বিধানসভা নিৰ্বাচনলৈ কেইমাহমানহে বাকী। বিদ্যালয়-মহাবিদ্যালয়সমূহৰো চূড়ান্ত পৰীক্ষা সমাগত। বৰ্তমান বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰো বতৰ। এই সময়ছোৱাত ৰাজনীতিক, পৰীক্ষাৰ্থী, অভিভাৱকে ধৰি বিভিন্ন শ্ৰেণীৰ লোকৰ মানসিক চাপ বৃদ্ধি পায়। এই মানসিক চাপ কেনেদৰে নিয়ন্ত্ৰণত ৰাখিব পাৰি, সেই বিষয়ে আজি নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। ৰাজ্যখনৰ এগৰাকী বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° জয়ন্ত দাসে ষ্টুডিঅ'ত থাকি বিভিন্ন প্ৰশ্নকৰ্তাই টেলিফোনযোগে উত্থাপন

কৰা সমস্যাৰ নিদান দিব। এই অনুষ্ঠানটোৰ পৰিকল্পনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু উপস্থাপন অৰুণিমা গোস্বামীৰ। প্ৰয়োজনীয় ফোন নম্বৰ দুটি হৈছে – ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। দক্ষিণ আফ্ৰিকাই আজি দ্বিতীয় দিনাৰ খেলৰ সামৰণি পৰালৈকে দ্বিতীয় ইনিংছত সাতটা উইকেটৰ বিনিময়ত ৯৩ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। আজিৰ খেলত টেম্বা বাবুমা ২৯ আৰু কৰ্বিন বছে ১ ৰাণ কৰি খেলি আছে। দক্ষিণ আফ্ৰিকা ভাৰতৰ প্ৰথম ইনিংছতকৈ ৬৩ ৰাণত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে ভাৰতে আজি ১৮৯ ৰাণত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৩৯ ৰাণ কৰে। ৱাশ্বিংটন সুন্দৰে ২৯ ৰাণৰ বৰঙণি আগবঢ়ায়।

ooooo

সমাপ্ত